**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-12-2025 **Time :** 0755Hrs.

শ্বহীদ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰৰ উদ্বোধন কৰিব। অসমত আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে। কালি মুখ্যমন্ত্ৰীয়ে স্মাৰক ক্ষেত্ৰত শ্বহীদ প্ৰণাম জ্যোতি প্ৰজ্বলন কৰে। লগতে ৮৬০ গছি বন্তি প্ৰজ্বলন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰা হয়। মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিমল বৰা, পীয়ুষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সংবাদ মাধ্যমৰ সন্মুখত ড° শৰ্মাই মন্তব্য কৰি কয় যে স্মাৰক ক্ষেত্ৰখন অসমীয়া জাতি বিশ্বৰ বুকুত গৌৰৱেৰে জীয়াই থকাৰ সংকল্পৰ এটা প্ৰতীক আৰু জাতিৰ বাবে প্ৰেৰণাৰ কেন্দ্ৰ হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে লগতে শ্বহীদ স্মাৰক ক্ষেত্ৰৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ উপৰি ৰাজ্যৰ সকলো জিলাত তথা সমজিলা সদৰত আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীত সকলোকে ভাগ ল'বলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, শ্বহীদ দিৱসৰ আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহীদ দিৱসৰ কাৰ্যসূচীত সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত গান্ধী খেলপথাৰ, কুঁৱৰীটোলত অনুষ্ঠিত হৈছে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়াকে ধৰি নগাঁও জিলা আয়ুক্ত, নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়ালৈ সন্মিলিত শিল্পী সমাজ, কলিয়াবৰৰ দ্বাৰা পাৰিজাত হৰণ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত গাহৰিৰ দেহত ছোৱাইন ফিভাৰৰ সংক্ৰমণ ধৰা পৰাৰ পৰিপ্ৰেক্ষিতত জিলা সমূহত প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই জিলাসমূহত গাহৰি মাংসৰ ক্ৰয়-বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ কৰাৰ লগতে সংক্ৰমিত এলেকাৰ গাহৰিক নিধন কৰা হৈছে। মাজুলি জিলা প্ৰশাসন আৰু জিলা পশু চিকিৎসা বিভাগে এই ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা জাৰি কৰিছে। জিলাখনত অনিৰ্দিষ্টকাললৈ গাহৰি মাংসৰ ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগে এই আইন অমান্য কৰা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি প্ৰকাশ কৰিছে।

**-বাইট-**

০০০০০০০

প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত কালি ৰাজ্যৰ হিতাধিকাৰীসকলক মঞ্জুৰী পত্ৰ বিতৰণৰ ৰাজ্যিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বকোৰ গান্ধী ময়দানত উদ্বোধন কৰে। ২০২৫-২৬ বৰ্ষৰ বাবে

তিনি লাখৰো অধিক হিতাধিকাৰীক এই মঞ্জুৰী পত্ৰ প্ৰদান কৰা হ'ব। কেন্দ্ৰীয়ভাৱে বকোত আয়োজিত বিতৰণ কাৰ্যসূচীত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে কয়, যে এই আঁচনিৰ অধীনত চৰকাৰে বহুসংখ্যক নতুন হিতাধিকাৰীকো অন্তৰ্ভুক্ত কৰিব। পূৰ্বে অতি ন্যূনতম পৰিমাণত আৱণ্টন কৰা ধনৰাশিৰ তুলনাত বৰ্তমান চৰকাৰে এই আঁচনিৰ ঘৰ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক ডেৰ লাখকৈ টকা দিয়াটো তাৎপৰ্যপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে।

যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতো এই অনুমোদন পত্ৰ আনুষ্ঠানিক বিতৰণ কৰা হয়। যোৰহাট বিধানসভা সমষ্টিৰ বাবে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত আৰু তিতাবৰ মৰিয়নি তথা টীয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

লখিমপুৰ জিলাত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ মঞ্জুৰী পত্ৰ মুঠ ৪৫৮টা পৰিয়ালৰ হাতত অৰ্পণ কৰা হয়। এই অনুষ্ঠানত বিধায়ক মানৱ ডেকা, জিলা আয়ুক্তকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

শ্ৰীভূমি জিলাতো মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপস্থিতিত ৪ হাজাৰ ২২৬ গৰাকী হিতাধিকাৰীক নতুন ঘৰ নিৰ্মাণৰ মঞ্জুৰী পত্ৰ প্ৰদান কৰা হয়।

০০০০০০০

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত কালি গুৱাহাটীত অনুষ্ঠিত এখন চিন্তন বৈঠকত ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদনক লৈ আলোচনা কৰা হয়। আলোচনাৰ অন্তত বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সদৰি কৰি সংগঠনটোৰ নেতা বসন্ত গগৈয়ে কয়, যে এই প্ৰতিবেদনত টাই-আহোম জনগোষ্ঠীক অনুসূচীত জনজাতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ফলত জনগোষ্ঠীটো সামাজিক আৰু ৰাজনৈতিক দিশত কিদৰে সুৰক্ষিত হ'ব সেয়া চালি-জাৰি চাবলৈ অসম চৰকাৰৰ প্ৰাক্তন মহাধিবক্তা ৰমেশ বৰপাত্ৰ গোহাঁইক অধ্যক্ষ হিচাপে এখন ২১ জনীয়া উচ্চস্তৰীয় সমিতি গঠন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০

**সমাপ্ত**